# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## **HEADLINES**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ব্ৰাটিস্লাভাত শ্ল'ভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰীনিৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০০৮ চনৰ মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ অভিযুক্ত তহব্বুৰ ৰাণাৰ প্ৰত্যৰ্পণ মোডী চৰকাৰৰ কূটনীতিৰ বৃহৎ সফলতা বুলি অভিহিত কৰিছে।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে চীনৰ বাহিৰে আন সকলো দেশৰ বাবে প্ৰতিশুল্ক ব্যৱস্থাৰ কাৰ্যকৰীকৰণ ৯০ দিনৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে।

৪। ভাৰতৰ পি ভি সিন্ধু, প্ৰিয়াংশু ৰাজাৱট আৰু কিৰণ জৰ্জে চীনৰ নিংবোত অনুষ্ঠিত এছিয়া চেম্পিয়নশ্বিপ বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। গুজৰাট টাইটানছে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৫৮ ৰানত পৰাস্ত কৰে।

ooooo

শ্ল'ভাকিয়া ভ্ৰমণৰত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ব্ৰাটিস্লাভাত দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰীনিৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে আৰু পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন বিষয় লৈ মত বিনিময় কৰে। এই সাক্ষাৎকালত দুখন বুজাবুজিৰ চুক্তি সম্পাদিত হয়। শ্ৰীমতী মুৰ্মুৱে দ্ৰুত সম্প্ৰসাৰিত, সংবাদ মাধ্যম, মনোৰঞ্জন আৰু সৃজনশীল অৰ্থ ব্যৱস্থা খণ্ডত দুয়ো দেশৰ মাজত সহযোগিতাৰ অপাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰে।

ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে শ্ল'ভাকিয়াৰ প্ৰধানমন্ত্ৰী ৰ'ৱাৰ্ট ফিকো আৰু দেশৰ সংসদ নেচনেল কাউন্সিলৰ অধ্যক্ষ ৰিছাৰ্ড ৰাছিকো সাক্ষাৎ কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০০৮ চনৰ মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ অভিযুক্ত তহব্বুৰ ৰাণাৰ প্ৰত্যৰ্পণ মোডী চৰকাৰৰ কূটনীতিৰ বৃহৎ সফলতা বুলি অভিহিত কৰিছে। কালি এটা ব্যক্তিগত টিভি চেনেলৰ সৈতে হোৱা কথা বতৰাত শ্ৰীশ্বাহে কয় যে, ভাৰতৰ জনসাধাৰণৰ সৈতে দুৰ্ব্যৱহাৰ কৰা সকলোকে ঘূৰাই অনাটো কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব। তেওঁ কয়, যে তহব্বুৰ ৰাণাই দেশৰ আদালতত বিচাৰৰ সন্মুখীন হোৱাটো দেশৰ বাবে বৃহৎ সাফল্য হ'ব।

ৰাণাক আজি বিশেষ বিমানেৰে ভাৰতলৈ অনা হ'ব বুলি বাতৰি ওলোৱাৰ সময়তে শ্ৰীশ্বাহে কৰা এই মন্তব্য বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। উল্লেখযোগ্য যে, ৰাণাই ভাৰতলৈ প্ৰত্যৰ্পণৰ বিৰুদ্ধে দাখিল কৰা আৱেদন আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ে খাৰিজ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে নাগৰিকত্ব সংশোধনী আইন সম্পৰ্কে উৰা বাতৰি প্ৰচাৰ কৰা বুলি অভিযোগ তোলে। ৰাহুল গান্ধী আৰু তেওঁৰ সহযোগীসকলে নাগৰিকত্ব সংশোধনী আইনৰ ৰূপায়ণৰ ফলত মুছলমানসকলে নাগৰিকত্ব হেৰুৱাবলগীয়া হ'ব বুলি উৰা বাতৰি প্ৰচাৰ কৰা বুলি তেওঁ অভিযোগ তোলে। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে নাগৰিকত্ব সংশোধনী আইন ৰূপায়ণৰ ফলত কোনো মুছলমান লোকে নাগৰিকত্ব হেৰুৱাবলগীয়া হোৱা নাই। গৃহমন্ত্ৰীগৰাকীয়ে লগতে ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীক লৈ প্ৰশ্নৰ অৱতাৰণা কৰি কয়, যে যদিহে কংগ্ৰেছৰ বাবে ৱক্‌ফ মূল বিষয় আছিল তেন্তে প্ৰিয়ংকা গান্ধীয়ে ৱক্‌ফ সংশোধনী বিধেয়কৰ বিৰুদ্ধে ভোটদান কৰিবলৈ কিয় অহা নাছিল। মোডী চৰকাৰে দেশক জাতিবাদ, স্বজন-তোষণ আৰু তোষামোদৰ পৰা মুক্ত কৰি উন্নয়নৰ ৰাজনীতিৰ দিশে আগুৱাই লৈ গৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উত্তৰ প্ৰদেশ আৰু মধ্যপ্ৰদেশ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত তেওঁ বাৰাণসীলৈ যাত্ৰা কৰাৰ লগতে ৩৪০০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰথমবাৰলৈ ৭০ বছৰৰ উৰ্দ্ধৰ বয়সৰ জ্যেষ্ঠ নাগৰিকসকলক আয়ুষ্মান বয় বন্দনা কাৰ্ডো বিতৰণ কৰিব। বাৰাণসীৰ পথ যোগাযোগকে ধৰি আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰীয়ে কেইবাটাও পথ তথা আন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাসো কৰিব। তেওঁ লগতে দুটা ৪০০ কিল'ভল্ট আৰু এটা ২২০ কিল'ভল্ট শক্তিসম্পন্ন বিদ্যুৎ উপকেন্দ্ৰ আৰু বিদ্যুৎ পৰিবাহী লাইন মুকলি কৰিব। বাৰাণসী সংমণ্ডলৰ জৌনপুৰ, চন্দৌলি আৰু গাজীপুৰত ১০৪৫ কোটিৰো অধিক ব্যয়েৰে এই প্ৰকল্পসমূহ সাজু কৰি তোলা হৈছে।

মধ্যপ্ৰদেশত শ্ৰীমোদীয়ে আনন্দপুৰ ধামত এটা ৰাজহুৱা অনুষ্ঠানত অংশ লোৱাৰ লগতে জনসভাক সম্বোধন কৰিব। তেওঁ ইছাগড় গুৰুজী মহাৰাজ মন্দিৰও দৰ্শন কৰিব।

ooooo

এটা উল্লেখযোগ্য ঘটনাক্ৰমত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে চীনৰ বাহিৰে আন সকলো দেশৰ বাবে প্ৰতিশুল্ক ব্যৱস্থা ৯০ দিনৰ বাবে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। সামাজিক মাধ্যম যোগে শ্ৰীট্ৰাম্পে কয়, যে তেওঁ শুল্ক পৰিকল্পনাৰ অংশ হিচাপে ৯০ দিনৰ স্থগিতকৰণত অনুমোদন জনাইছে। অৱশ্যে চীনৰ বাবে শুল্কৰ হাৰ ততালিকে কাৰ্যকৰী হোৱাকৈ ১২৫ শতাংশলৈ বৃদ্ধি কৰা হৈছে। শ্ৰীট্ৰাম্পে কয়, যে চীনত বিশ্ব বজাৰৰ প্ৰতি সন্মানৰ অভাৱৰ পৰিপ্ৰেক্ষিতত তেওঁ দেশখনৰ ক্ষেত্ৰত প্ৰযোজ্য শুল্ক বৃদ্ধি কৰাৰ সিদ্ধান্ত ল'বলগীয়া হৈছে। শ্ৰীট্ৰাম্পে যোৱা সপ্তাহত প্ৰতি শুল্ক আৰোপ কৰা ৭৫ খন অন্য দেশক সকাহ প্ৰদান কৰি কয়, যে তেওঁলোকে আমেৰিকাৰ সৈতে ব্যৱসায়ৰ ভাৰসাম্যৰ সমস্যা দূৰ কৰাৰ বাবে বিনয় আৰু সক্ৰিয় দৃষ্টিভংগী গ্ৰহণ কৰালৈ চাই এই শুল্ক ততালিকে স্থগিত ৰখা হৈছে। ইয়াৰ আগেয়ে চীনে কালি আমেৰিকাৰ পৰা আমদানি কৰা সকলো সামগ্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা প্ৰতিশুল্ক মাজনিশাৰ পৰা প্ৰযোজ্য হোৱাকৈ ৩৪ শতাংশৰ পৰা ৮৪ শতাংশলৈ বৃদ্ধি কৰিছিল। আমেৰিকাই ভাবুকি প্ৰদান কৰা বুলি বেইজিং মহলে অভিযোগ তোলে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতে আমেৰিকাই প্ৰতিশুল্ক আৰোপ কৰাৰ বিষয়টো সূক্ষ্মভাৱে পৰ্যবেক্ষই কৰি আছে বুলি প্ৰকাশ কৰিছে।

OOOOO

সমগ্ৰ বিশ্বত আজি বিশ্ব হোমিঅ'প্যাথি দিৱস পালন কৰা হৈছে। হোমিঅ'প্যাথি বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ চিকিৎসা প্ৰণালী। স্বাস্থ্য সেৱাৰ সৰ্বাত্মক দৃষ্টিভংগী বহন কৰা হোমিঅ'প্যাথিয়ে প্ৰাকৃতিক পদ্ধতিৰ বাবে বিশ্বৰ লাখ লাখ লোকক আকৰ্ষিত কৰি আহিছে। আয়ুষ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি দেশত ১০ কোটিৰো অধিক লোকে স্বাস্থ্য আৱশ্যকতাৰ বাবে হোমিঅ'প্যাথিক ভৰষা কৰে।

দেশত সম্প্ৰতি ৩ লাখ ৪৫ হাজাৰ পঞ্জীকৃত হোমিঅ'প্যাথি চিকিৎসক, ২৭৭ খন চিকিৎসালয়, ৮ হাজাৰৰো অধিক ঔষধালয় আৰু ২৭৭টা শৈক্ষিক প্ৰতিষ্ঠান আছে।

OOOOO

মিজোৰামৰ কেলছিহত থকা ৰাজ্যিক জনজাতীয় সম্পদ কেন্দ্ৰত চাৰিদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় জনজাতি যুৱ মহোৎসৱৰ আজি সামৰণি পৰিব। আদিবাসী মুক্তিযোদ্ধা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তীৰ বছৰজোৰাৰ উদয়াপনৰ সৈতে সংগতি ৰাখি এই মহোৎসৱৰ আয়োজন কৰা হৈছে। জনজাতীয় মুক্তিযোদ্ধাসকলক সন্মান জনোৱাৰ লগতে যুৱ প্ৰজন্ম আৰু জনসাধাৰণৰ মাজত দেশপ্ৰেমৰ অনুভাৱ শক্তিশালী কৰাৰ লক্ষ্যৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মিজো জনগোষ্ঠীৰ কেইবাগৰাকীও শিল্পীয়ে অংশ লৈছে। তদুপৰি নাগালেণ্ড আৰু মণিপুৰৰ কেইবাগৰাকী যশস্বী শিল্পীয়ে এই মহোৎসৱত অনুষ্ঠান পৰিৱেশন কৰিছে।

OOOOO

ভাৰতৰ পি ভি সিন্ধু, প্ৰিয়াংশু ৰাজাৱট আৰু কিৰণ জৰ্জে চীনৰ নিংবোত অনুষ্ঠিত এছিয়া চেম্পিয়নশ্বিপ বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অলিম্পিকত দুবাৰকৈ পদক বিজেতা সিন্ধু আজি পুৱা হ'বলগীয়া মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাপানৰ আকানে য়ামাগুচিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সিন্ধুই কালি প্ৰথম ৰাউণ্ডৰ এখন খেলত ইণ্ডোনেছিয়াৰ এষ্টৰ নুৰমি ট্ৰাই ৱাৰ্ডয়োক ২১-১৫, ২১-১৯ গেমত পৰাস্ত কৰে। পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কিৰণ জৰ্জ আজি থাইলেণ্ডৰ কুন্‌লাভূট ভিটিডছাৰ্ণৰ সন্মুখীন হ'ব। জৰ্জে কালি প্ৰথম ৰাউণ্ডৰ এখন খেলত কাজাখস্তানৰ ডিমিট্ৰি পানাৰিনক ২১-১৬, ২১-৮ গেমত পৰাভূত কৰে। প্ৰিয়াংশু ৰাজাৱট আজি পুৰুষৰ ছিংগলছৰ আন এখন খেলত জাপানৰ কোডাই নাৰাঅ'কাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৰাজাৱটে কালি প্ৰথম ৰাউণ্ডৰ এখন খেলত থাইলেণ্ডৰ কাণ্টাফোন ৱাংছৰোএনক ২০-২২, ২১-১২, ২১-১০ গেমত পৰাভূত কৰে। ৰুৱন কুমাৰ ৰেথিনাছ'বাপটি আৰু হৰিহৰণ অম্‌সকৰুণনো  পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটো দ্বিতীয় ৰাউণ্ডত মালেয়েছিয়াৰ আৰোন চিয়া আৰু ৱুই য়িক ছ'হৰ সন্মুখীন হ'ব। ভাৰতৰ ধ্ৰুৱ কপিলা আৰু তনিছা ক্ৰাষ্টৰ যুটিটো আজি মিক্সড ডাবলছৰ দ্বিতীয় ৰাউণ্ডত ছিনা টাইপেৰ ৰং ৱেইয়ে আৰু নিকলে গঞ্জালেছ ছানৰ সন্মুখীন হ'ব।

OOOOO

গুজৰাট টাইটানছে যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৫৮ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৭ ৰান কৰে। গুজৰাটৰ হৈ ছাই সুদৰ্শনে ৫৩টা বলত ৮২ ৰান কৰে। সুদৰ্শনক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত গুজৰাট প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হৈছে। ৰাজস্থান ৰয়েলছ সপ্তম স্থানত আছে।

প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**